**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগৰ উচ্ছেদ অভিযান আৰম্ভ।

২। লোকসভাত আজি অপাৰেচন সিন্দূৰ সন্দৰ্ভত পুনৰ আলোচনা। কালি সাংসদ দিলীপ শইকীয়াৰ অসমত বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বিষয় উত্থাপন।

৩। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাজ্যখনৰ আৰ্থ-সামাজিক দিশৰ অগ্ৰগতিৰ বিষয়ে তথ্য প্ৰদান।

৪। ভূমি অধিগ্ৰহণৰ ৩২ বছৰ পাছতো নাহৰকটীয়াৰ ২৫ টা পৰিয়ালে ক্ষতিপূৰণ নোপোৱা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰাজ্য চৰকাৰক জাননী জাৰি। *আৰু*

৫। অসম কৃষি বিশ্ববিদ্যালয়ে বিকশিত কৰা বেঙুনীয়া চাউলৰ উচ্চ উৎপাদনক্ষম জাত PPVFRৰ অধীনত পঞ্জীয়নভুক্ত।

০০০০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি পুৱা আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগে উচ্ছেদ অভিযান আৰম্ভ কৰিছে। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰশাসনে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ ব্যৱহাৰ কৰিছে। উল্লেখযোগ্য যে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। এই উচ্ছদ অভিযান সন্দৰ্ভত এয়া গোলাঘাটৰ পৰা আমাৰ সংবাদদাতা হিৰণ্য গগৈ–

**ভইচ**

উল্লেখযোগ্য যে উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰী বিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক কালিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছিল। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে।

ইপিনে, ৰাজ্য চৰকাৰে ৰেংমা বনাঞ্চলত উচ্ছেদ অভিযান চলোৱাৰ বাবে সাজু হোৱাৰ সময়তে নাগালেণ্ডৰ উগ্ৰপন্থী সংগঠন এন এছ চি এনে এই উচ্ছেদৰ বিৰোধিতা কৰিছে। উচ্ছেদ হ'বলগীয়া বনাঞ্চলৰ ভূমি নাগালেণ্ডৰ বুলি সংগঠনটোৱে দাবী কৰিছে।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

লোকসভাত আজি অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা পুনৰ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আজি এই সন্দৰ্ভত মত প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। অপাৰেচন সিন্দূৰক পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতৰ শক্তিশালী, সফল আৰু নিৰ্ণায়ক অভিযান হিচাপে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি এই আলোচনা আৰম্ভ কৰিছিল। এই আলোচনাত অংশ লৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কয়, যে পেহেলগাম আক্ৰমণক ভাৰতৰ সামৰিক সঁহাৰিয়ে প্ৰতিহত কৰিছে। তেওঁ ভাৰতে কোনো কাৰণতে সন্ত্ৰাসবাদেৰে জড়িত চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে সহাৱস্থান কৰিব নোৱাৰে বুলি উল্লেখ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে অপাৰেচন সিন্দূৰ কেৱল এটা সামৰিক অভিযানেই নাছিল, বৰং ই হৈছে ভাৰতৰ সাৰ্বভৌমত্ব, পৰিচয় তথা জনসাধাৰণৰ প্ৰতি চৰকাৰৰ দায়িত্ব আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ নীতিৰ ফলপ্ৰসূ আৰু নিৰ্ণায়ক প্ৰদৰ্শন। শ্ৰীসিঙে কয়, যে জম্মু-কাশ্মীৰৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতেই আৰম্ভ কৰা অপাৰেচন সিন্দূৰ দেশৰ সশস্ত্ৰ বাহিনীসমূহৰ দ্বাৰা এটা সুংসহত আক্ৰমণ আছিল আৰু এই আক্ৰমণে ৯ টাকৈ সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰিছিল। এই অভিযানত ১০০ৰো অধিক সন্ত্ৰাসবাদী, সন্ত্ৰাসবাদীৰ প্ৰশিক্ষণৰ সৈতে জড়িত লোক নিহত হয় আৰু এইসমূহৰ অধিকাংশই জইছ-এ-মহম্মদ, লস্কৰ-ই-তৈয়বা আৰু হিজবুল মুজাহিদিন সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত আছিল।

আলোচনাত ভাগ লৈ লোকসভাৰ কংগ্ৰেছ দলৰ দলপতি গৌৰৱ গগৈয়ে অভিযোগ কৰি কয়, যে বিৰোধী পক্ষই অপাৰেচন সিন্দূৰ সন্দৰ্ভত সদনত বিশেষ আলোচনাৰ বাবে দাবী জনাইছিল, কিন্তু চৰকাৰে অপাৰেচন সিন্দূৰৰ মূল বিষয়বোৰ আওকাণ কৰিছে। আলোচনাত অংশ লৈ সাংসদ তথা অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই গৌৰৱ গগৈয়ে লোকসভাত দিয়া বক্তব্যৰ সমালোচনা কৰি কয় যে তেওঁৰ বক্তব্যই ভাৰতৰ সামৰিক শক্তিক সমালোচনা কৰাৰ বাবেই পাকিস্তানৰ টেলিভিচনে তেওঁৰ মন্তব্য প্ৰচাৰ কৰিছে। শ্ৰী শইকীয়াই বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলত সৃষ্টি কৰা সমস্যাৰ বিষয়ে উল্লেখ কৰে।

**বাইট**

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যখনে আৰ্থ-সামাজিক দিশত লাভ কৰা অগ্ৰগতিৰ বিষয়ে তেওঁক অৱগত কৰে। সাক্ষাৎকালত ড° শৰ্মাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনৰ আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভতো প্ৰধানমন্ত্ৰীক জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে গোলাঘাট জিলাৰ নুমলীগড়ত দেশৰ ভিতৰত প্ৰথম জৈৱ ইথানল প্ৰকল্প সম্পৰ্কেও আলোচনা কৰে। অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ অসম ভ্ৰমণৰ বাবে ৰাজ্যবাসীয়ে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে।

ড° শৰ্মাই ইয়াৰ পাছত নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰি মন্ত্ৰীগৰাকীক গহপুৰত নিৰ্মাণ হ'বলগীয়া কনকলতা বৰুৱা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কাৰ্যসূচীলৈ আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে বীৰাঙ্গনা কনকলতা বৰুৱালৈ উৎসৰ্গিত এই উচ্চ শিক্ষানুষ্ঠানখন সম্পূৰ্ণ ৰূপে উদ্যোগমুখী শৈক্ষিক দৃষ্টিভঙ্গীক লৈ নিৰ্মাণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতেও বৈঠকত মিলিত হয়। বৈঠকত মাৰ্ঘেৰিটাত ক'ল ইণ্ডিয়াৰ কাম-কাজসমূহ অধিক উৎপাদনক্ষম কৰি তোলাৰ বিষয়ত বিস্তৃতভাৱে আলোচনা কৰা হয়।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী চি আৰ পাটিলকো সাক্ষাৎ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে তেওঁ অসমত জল জীৱন মিছন ৰূপায়ণৰ উপৰি আনুসংগিক বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে।

মুখ্যমন্ত্ৰীয়ে পৰিৱেশ, বন আৰু বন্যপ্ৰাণী বিভাগৰ মন্ত্ৰী মঞ্জিন্দৰ সিং চিৰ্ছাৰ সৈতেও বৈঠকত মিলিত হৈ পৰিৱেশজনিত বিষয় সন্দৰ্ভত আলোচনা কৰে।

oooooo

নেচনেল ইনষ্টিটিউট অৱ ফাৰ্মাচিউটিকেল এডুকেচন এণ্ড ৰিচাৰ্চ-- নাইপাৰ গুৱাহাটীত চিকিৎসা সঁজুলিৰ এটা এবছৰীয়া স্নাতকোত্তৰ ডিপ্ল'মা পাঠ্যক্ৰম আৰম্ভ হ'ব। নাইপাৰৰ অধ্যাপক সুৰক্ষিত বৰাই এখন সংবাদমেলযোগে এই বিষয়ে ঘোষণা কৰে।

**বাইট (সুৰক্ষিত বৰা)**

শৈক্ষিক প্ৰতিষ্ঠানখনে ভাৰত চৰকাৰৰ ৰাসায়নিক আৰু সাৰ মন্ত্ৰালয়ৰ ফাৰ্মাচিউটিকেল বিভাগৰ অধীনত ২০২৫-২৬ বৰ্ষৰ পৰা এই পাঠ্যক্ৰম আৰম্ভ কৰিব। এই পাঠ্যক্ৰমে বিশেষকৈ উত্তৰ-পূবৰ শিক্ষাৰ্থীসকলক চিকিৎসা সঁজুলিৰ ক্ষেত্ৰত উন্নত শিক্ষা আৰু গৱেষণাৰ পথ অন্বেষণ কৰাৰ সুযোগ দিব। উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে এই পাঠ্যক্ৰম আৰম্ভ হ'ব। ১৫ খন আসন থকা এই এবছৰীয়া পাঠ্যক্ৰমৰ বাবে প্ৰৱেশ পৰীক্ষা দিব লাগিব। অহা ছেপ্তেম্বৰত প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হোৱাৰ পাছত অক্টোবৰত এই ডিপ্ল'মা পাঠ্যক্ৰম আৰম্ভ হ'ব। প্ৰতিবছৰে এই ডিপ্ল'মা পাঠ্যক্ৰমৰ বাবে নাইপাৰ গুৱাহাটীত প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হ'ব। আই আই টি গুৱাহাটী আৰু এইমছ গুৱাহাটীৰ সহযোগত নাইপাৰ গুৱাহাটীত এই ডিপ্ল'মা পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে।

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে মথাউৰি নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণৰ ৩২ বছৰ পাছতো ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ ২৫ টা পৰিয়ালে ক্ষতিপূৰণ নোপোৱা বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰক জাননী জাৰি কৰিছে। বুঢ়ীদিহিং নৈৰ মথাউৰি নিৰ্মাণৰ নামত নাহৰকটীয়া ৰাজহ চক্ৰৰ টকৌবিল গাঁৱৰ ২৫ টা পৰিয়ালৰ অধিগ্ৰহণ হোৱা ভূমিৰ বাবদ ক্ষতিপূৰণ আদায় নিদিয়াক লৈ পৰিয়ালকেইটাই গুৱাহাটী উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত ন্যায়ালয়ে ৰাজ্য চৰকাৰক জাননী জাৰি কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলা প্ৰশাসনে ১৯৯৩ চনতে এই লোকসকলৰ পৰা জাননীবিহিনভাৱে ২৬ বিঘাৰো অধিক ভূমি অধিগ্ৰহণ কৰা বুলি পৰিয়ালসমূহে অভিযোগ তুলিছিল।

oooooo

অসম কৃষি বিশ্ববিদ্যালয়ে বিকশিত কৰা বেঙুনীয়া চাউলৰ উচ্চ উৎপাদনক্ষম এটা জাত **লাৱন্য,** শেহতীয়াকৈ উদ্ভিদৰ জাত সুৰক্ষা আৰু কৃষক অধিকাৰ প্ৰাধিকৰণ-PPVFRৰ অধীনত পঞ্জীয়নভুক্ত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ জনসম্পৰ্কৰক্ষী বিষয়াই এই বিষয়ে প্ৰকাশ কৰি কয়, যে পৰম্পৰাগত ক'লা চাউলক পুষ্টিগতভাৱে অধিক চহকী কৰি দৈনিক ব্যৱহাৰ আৰু বাণিজ্যিকভাৱে খেতি কৰাৰ বাবে উপযোগী কৰি তোলা হৈছে। উল্লেখযোগ্য যে প্ৰতি হেক্টৰ কৃষিভূমিত চাৰে ৪ৰ পৰা ৫ টন পৰ্যন্ত এই ধান উৎপাদন কৰিব পৰা

যাব। সুগন্ধীযুক্ত এইবিধ চাউল ৰান্ধিবলৈ সহজ বাবে ই নিয়মীয়াকৈ ব্যৱহাৰৰ বাবে অধিক উপযোগী বুলিও বিশ্ববিদ্যালয়খনে প্ৰকাশ কৰিছে। **লাৱন্য** নামৰ এইবিধ বেঙুণীয়া চাউলত এণ্টি অক্সিডেণ্ট, এমিন' এচিড, ফ্লেভনইড আৰু খনিজ পদাৰ্থ অধিক পৰিমাণে উপলভ্য। পৰম্পৰাগত সুস্বাদু খাদ্য-সামগ্ৰীৰ লগতে বেকাৰী সামগ্ৰীৰ প্ৰস্তুতৰ বাবেও এই চাউল অতি উপযোগী। গ্লুটেনমুক্ত এইবিধ চাউলৰ পিঠাগুড়িও অতি স্বাস্থ্যসন্মত বুলি বিশ্ববিদ্যালয়খনৰ তৰফৰ পৰা প্ৰকাশ কৰা হৈছে।

০০০০০০

বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ আৰু নিবিড় সংশোধনীক লৈ দাখিল হোৱা আবেদনৰ শুনানিত উচ্চতম ন্যায়ালয়ে নিৰ্বাচন আয়োগক আধাৰ কাৰ্ড আৰু ভোটাৰ কাৰ্ডো পৰিচয় পত্ৰৰূপে বিবেচনাৰ পৰামৰ্শ দিছে। এয়া **দৈনিক অগ্ৰদূত** কাকতত প্ৰকাশিত বাতৰি।

**দি আছাম ট্ৰিবিউন** কাকতে ১৯ বছৰীয়া দিব্যা দেশমুখে ফিডে মহিলা বিশ্বকাপৰ খিতাপ জয় কৰাৰ বাতৰি প্ৰকাশ কৰিছে। সমাগত বিটিআৰ নিৰ্বাচনক কেন্দ্ৰ কৰি জাতিৰ স্বাৰ্থত বড়ো আঞ্চলিক শক্তিক একত্ৰিত হ'বলৈ এবছুৰে আহ্বান জনোৱাৰ বাতৰিয়ে **দৈনিক জনমভূমি** কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

উৰিয়ামঘাটত উচ্ছেদৰ বাবে আৰক্ষী প্ৰশাসন সাজু হোৱাৰ বাতৰি **দ্য চেন্টিনেল** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। নাগালেণ্ডৰ উগ্ৰপন্থী সংগঠন এন এছ চি এনে উৰিয়ামঘাটৰ উচ্ছেদৰ বিৰোধিতা কৰাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ বৰবৰুৱা চাহ বাগিচাৰ খেলপথাৰত প্ৰথমবাৰৰ বাবে জিলাভিত্তিক আৰ্চাৰী প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত আৰু উজনী অসম আৰ্চাৰী একাডেমীৰ সহযোগত আয়োজিত এই প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ প্ৰায় ২০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

সমাপ্ত